# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 02-03-2025
**Time :** 0755 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

এডভাণ্টেজ আছামৰ অংশ হিচাপে গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত প্ৰদৰ্শনীখনৰ কালি সামৰণি পৰে। সন্মিলনৰ সামৰণিৰ পাছত ৰাইজৰ বাবে মুকলি কৰি দিয়া এই প্ৰদৰ্শনীত দেশৰ কেইবাটাও আগশাৰীৰ উদ্যোগ প্ৰতিষ্ঠানৰ লগতে ৰাজ্যৰ থলুৱা ষ্টাৰ্টআপ আৰু উদ্যোগ প্ৰতিষ্ঠানসমূহৰ উৎপাদিত সামগ্ৰী আৰু কৌশলসমূহ প্ৰদৰ্শন কৰা হয়। তদুপৰি থলুৱা উদ্যোগসমূহে কিদৰে উদ্ভাৱনী চিন্তা-চৰ্চাৰে আগবাঢ়িব পাৰে এই বিষয়েও প্ৰদৰ্শনীখনত বিভিন্ন প্ৰতিষ্ঠানৰ দক্ষ ব্যক্তিসকলে ৰাইজক অৱগত কৰে। প্ৰদৰ্শনীখনৰ **প্ৰাইড অৱ আছাম** শীৰ্ষক অংশত অসমৰ সংস্কৃতি আৰু উৎপাদিত সামগ্ৰী প্ৰদৰ্শনৰ লগতে বিশেষকৈ ক্ষুদ্ৰ উদ্যোগসমূহত উৎপাদিত সামগ্ৰীয়ে স্থান লাভ কৰে। আনটো অংশত ছেমি কণ্ডাক্টৰ প্ৰকল্প, বৈদ্যুতিন, ইথানলকে ধৰি কেইবাটাও দিশ সামৰি লোৱা হয়। যোৱা ২৭ ফেব্ৰুৱাৰীত এই প্ৰদৰ্শনী ৰাইজৰ বাবে মুকলি কৰি দিয়া হৈছিল।

০০০০০

ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আজি আৰম্ভ হৈছে। কেন্দ্ৰীয় হিলাল সমিতিৰ তথ্য অনুসৰি আজি প্ৰথম দিনটোত গুৱাহাটীৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ৩০ মিনিট, ইফতাৰৰ সময় আবেলি ৫ বাজি ২৫ মিনিট, মৰিগাঁও আৰু জাগীৰোডৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ২৭ মিনিট, ইফতাৰৰ সময় আবেলি ৫ বাজি ২২ মিনিট, নগাঁও আৰু তেজপুৰৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ২৬ মিনিট আৰু ইফতাৰৰ সময় আবেলি ৫ বাজি ২১ মিনিট ধাৰ্য কৰা হয়। এই বেলি ধাৰ্য কৰা ফিতৰাৰ পৰিমাণ হ'ল এহেজাৰ ৬৩৩ গ্ৰাম ঘেঁহু বা তাৰ মূল্য। গোৱালপাৰা জিলাতো ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। ফল-মূল, ছেৱৈ, খেজুৰ, মিঠাই আদি সুস্বাদু খাদ্যৰে জিলাখনৰ হাট-বজাৰসমূহ ভৰি পৰিছে।

কালি সন্ধিয়া ইছলাম ধৰ্মাৱলম্বী লোকসকলে তাৰাবিহ নামাজ কৰে। উল্লেখযোগ্য যে ৰমজান হ'ল আত্মশুদ্ধিৰ মাহ আৰু ইয়াৰ জৰিয়তে বিশ্ব শান্তি কামনা কৰা হয়। ৰমজান মাহ শেষ হোৱাৰ পাছতে পৱিত্ৰ ঈদ-উল-ফিতৰ উদযাপন কৰা হ'ব।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ ত্ৰিমূৰ্তি ভৱনত **দেশৰ কথা দেশৰ গান** শীৰ্ষক এটা  বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত চাইবাৰ অপৰাধ সম্পৰ্কত বক্তৃতা

প্ৰদান কৰিব উপ-আৰক্ষী অধীক্ষক পিংকি দাসে। ইয়াৰ পাছতেই জ্যেষ্ঠ সংগীত শিল্পী জে পি দাস আৰু দুৰ্গামিয়ী বৰাই গীত পৰিবেশন কৰিব। সন্ধিয়া ৬ বাজি ৫ মিনিটৰ পৰা নিশা ৮ বজালৈ এই অনুষ্ঠান কেন্দ্ৰৰ মহাবাহু শাখা আৰু ইয়াৰ ফে’চবুক পেজত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ’ব। এই অনুষ্ঠানৰ মাজতে ৬ বাজি ৪৫ মিনিটত সন্ধিয়াৰ আঞ্চলিক বাতৰি আৰু ৭ বাজি ১০ মিনিটৰ বাতৰি প্ৰচাৰিত হ’ব। দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ’বলগীয়া সংবাদ চলন্তিকাৰ প্ৰচাৰ অৱশ্যে বন্ধ থাকিব।

০০০০০

ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি প্ৰখ্যাত এথলিট পি টি উষা আজি ডিব্ৰুগড়লৈ আহিব। ডিব্ৰুগড় জিলা সন্থাৰ উদ্যোগত আউটড’ৰ ষ্টেডিয়ামত দৌৰবিদ পি টি উষাক সম্বৰ্ধনা জ্ঞাপন কৰা হ’ব। এই অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব। পি টি উষাই কাইলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৫৬ সংখ্যক বিশ্ববিদ্যালয় সপ্তাহৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০

নগাঁও ডাক সংমণ্ডলৰ উদ্যোগত জিলাখনৰ প্ৰধান ডাকঘৰ কাৰ্যালয়ত কালি এখন মেলা আৰু কৰ্মশালা অনুষ্ঠিত হয়। সংমণ্ডলটোৰ অন্তৰ্গত উপ-ডাকঘৰ আৰু ৫ খন জিলাৰ প্ৰতিটো উপ-সংমণ্ডলৰ ৩০০ৰো অধিক বিষয়া-কৰ্মচাৰীৰ লগতে ২০০ৰো অধিক লোকে এই কৰ্মশালাত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে ভাৰতীয় ডাক বিভাগে ৰাইজৰ সুৰক্ষাৰ বাবে শেহতীয়াকৈ গ্ৰহণ কৰা কেতবোৰ পদক্ষেপৰ অংশ হিচাপে নগাঁও সংমণ্ডলে ন্যূনতম ধন বিনিয়োগেৰে প্ৰতিগৰাকী নাগৰিকৰ জীৱন সুৰক্ষিত কৰাৰ বাবে দুখন আঁচনি ৰূপায়ণৰ দ্বাৰা ৰাজ্যৰ ভিতৰতে অভিলেখ সৃষ্টি কৰিছে। **ডাক জীৱন বীমা আৰু গ্ৰাম্য ডাক জীৱন বীমা** শীৰ্ষক এই আঁচনি দুখনৰ জৰিয়তে চলিত মাহটোত নগাঁও, মৰিগাঁও, হোজাই, কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাক সামৰি নগাঁও সংমণ্ডলে এশ চাৰি কোটিৰো অধিক টকাৰ বীমা কৰাবলৈ সমৰ্থ হৈছে। সংমণ্ডলটোৱে সৰ্বাধিক ৪ হাজাৰ ৭৭১ জন লোকৰ বিপৰীতে ২ কোটি ৭৭ লাখ ৮৪ হাজাৰৰো অধিক টকাৰ প্ৰিমিয়াম সংগ্ৰহ কৰিছে বুলি সংমণ্ডলটোৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

উজনি মাজুলীৰ এলেঙী নৰসিংহ সত্ৰৰ ২৮০ বছৰীয়া প্ৰতিষ্ঠা দিৱস আজিৰ পৰা চাৰি দিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি পুৱা ৫ বজাত ঘোষণা কীৰ্তন, সমূহীয়া ছাফাই কাৰ্যসূচী অনুষ্ঠিত হয়। আজি পুৱা চাৰে ১০ বজাত গুৰু আসন প্ৰতিষ্ঠা আৰু কলিয়া গোঁসাইৰ স্নান কাৰ্যসূচী সত্ৰখনৰ ডেকা সত্ৰাধিকাৰ কমল চন্দ্ৰ মহন্তই সম্পন্ন কৰিব।

০০০০০

৭০ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ খেলসমূহ আজি আৰম্ভ হ’ব। গুৱাহাটী ক্ৰীড়া সংস্থাই ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ তথা বিভিন্ন জিলা ক্ৰীড়া সংস্থাসমূহৰ সহযোগিতাত আয়োজন কৰা এই প্ৰতিযোগিতাত ১৭ টা দলে অংশগ্ৰহণ কৰিব। লোকপ্ৰিয় বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ছটা ক্লাষ্টাৰ ৰাউণ্ডৰ বিজয়ী আৰু বিজিত দলসমূহৰ লগতে গুৱাহাটী প্ৰিমিয়াৰ ফুটবল লীগৰ

ছেম্পিয়ন উত্তৰ পূব সীমান্ত ৰেলৰে ক্ৰীড়া সন্থা আৰু বিজিত দল ইষ্ট মেভেৰিক্সে এই ৰাউণ্ডত প্ৰতিদ্বন্দিতা আগবঢ়াব। ইয়াৰ উপৰি নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাৱ, শ্বিলং লাজং ফুটবল ক্লাৱ, অইল ইণ্ডিয়া লিমিটেড ফুটবল ক্লাৱে আমন্ত্ৰিত দল হিচাপে প্ৰতিযোগিতাত ভাগ ল'ব।

০০০০০

সমাপ্ত